প্ৰশাসন দুৰ্ব্বল আৰু কৰ্ম্ম বিমুখ হৈ পৰিছে। প্ৰশাসনীয় যন্ত্ৰটোৰ কাৰণে ওপৰ মহলৰ অফিছাৰ সকলক যদি শাস্তি দিব পৰা নহয় তেতিয়াহলে প্ৰশাসনীয় যন্ত্ৰটো তলৰ ফালে কেতিয়াও নিকা কৰিব বা কাৰ্য্যক্ষম কৰিব নোৱাৰে। এইটো কৰিব নোৱাৰিলে ৰাইজে আচনিবিলাকৰ পৰা ভাল ফল আশা কেতিয়াও কৰিব নোৱাৰে। গতিকে উচ্চ পদস্থ বিষয়া সকলৰ মাজত যি ওপৰ গধুৰ অৱস্থা চলিছে তাৰ প্ৰতিবিধান কৰিব নোৱাৰিব। এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰা হৈছে কেনেকৈ প্ৰশাসনীয় ব্যৱস্থা সুদক্ষ্য কৰিব পাৰি তাৰ আলোচনা কৰা হওঁক। আশাকৰো মাননীয় মূখ্য মন্ত্ৰী মহোদয়ে এই প্ৰশাসনীয় ব্যৱস্থা সম্পৰ্কে অধ্যয়ন কৰি সকলো স্তৰতে তদন্ত কৰি কেনেকৈ যথাবিহিত ব্যৱস্থা লব পাৰি তাৰ চেষ্টা কৰিব। যোৱা ২৫ বছৰে আমাৰ প্ৰশাসনীয় ব্যৱস্থাৰ কোনো উন্নতি নেদেখিলো। উদাহৰণ স্বৰূপে যোৱা ১০ বছৰে সচিবালয়ৰ মুখ্য সচিবে ষ্টেট পুল কাৰ চলাইছে। তেখেতৰ লৰাছোৱালী বা নিজৰ কামত এই পুল কাৰ ব্যৱহাৰ কৰি আছে। আৰু পুল কাৰৰ কাৰণে যি তেল মবিল নিজে খৰছ নকৰি চৰকাৰৰ পৰা লৈছে। চৰকাৰৰ বিশেষ সচিব গৰাকীয়েও যি পুল কাৰ চলাই নিজৰ কামত ব্যৱহাৰ কৰিছে আৰু তাৰ তেল মবিল চৰকাৰৰ খৰছত লৈছে। গতিকে দেখা যায় ওপৰ মহলাতহে নৈতিকতাৰ অভাৱ হৈছে। এই বিলাক বিষয়ে আমাৰ উদ্যোগী মুখ্য মন্ত্ৰী মহোদয়ে তদন্ত কৰিব। এনেকৈ ওপৰৰ পৰা তদন্ত বিলাক চলিলে নিশ্চয় প্ৰশাসনীয় যন্ত্ৰটো শুদ্ধ হব। উদাহৰণ স্বৰূপে এতিয়াও বহুত আই এ এচ বিষয়া কৰ্ম্মহীন অৱস্থাত আছে। আমাৰ কিছুমান অফিছাৰে দুইমাহ দেৰমাহ ধৰি কাম নহোৱাকৈ বহি আছে অথচ দৰ্ম্মহাও দিয়া হৈছে। শ্ৰীসতিজীৱন দাস বোলা অফিছাৰ জনে দুহেজাৰ সাত শ দৰ্ম্মহা পায় কিন্তু দুমাহৰ বেছিদিন কাম নোহোৱাকৈ বহি আছিল এতিয়া যেনিবা টি, এ, ডি, বিভাগত কাম দিছে। এনেকৈ ১০-১২ জন আই এ এচ অফিছাৰক কাম নোহোৱাকৈ বহুৱাই থৈছে। ঠিক একে সময়তে অৰ্থৰ অভাৱত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক কামৰ পৰা বৰ্খাস্ত কৰা হৈছে। অথচ আই এ এচ অফিছাৰ বা তেনেকুৱা উচ্চ পদস্থ বিষয়াক কাম নোহোৱাকৈ দৰ্ম্মহা দি বহুৱাই থৈছে অথচ কাম থকা স্বত্বেও টকাৰ অভাৱত সৰু সৰু চাকৰীয়াল সকলক কামৰ পৰা আতৰাই দিছে। এইধৰণে যদি প্ৰশাসন ব্যৱস্থা চলি থাকে তেনেহলে ৰাইজ যি ভাবে আশা কৰিছে দেশে যি ভাবে আকাংখা কৰিছে সেই ভাবে দেশৰ উন্নতি কেতিয়াও নহয়।

মই এই কাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো স্বতে

সচিবালয়ত এই ধৰণৰ যি বিলাক অসমতা আৰু দুৰ্নীতি চলি আছে তাক তদন্ত কৰি যথাবিহীত ব্যৱস্থা লৈ ৰাইজৰ উপকাৰ কৰিব ।

শ্ৰীদেবেন বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত চৰকাৰে যিটো মঞ্জুৰী দাবী উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো আৰু বিৰোধী পক্ষৰ পৰা টকা হ্ৰাস কৰিবৰ কাৰণে যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰিছো। এখন সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা তৈয়াৰ কৰিবলৈ হলে বানপানী, গৰা খহনীয়া, অনাবৃষ্টি আদি যিদৰে প্ৰতিবন্ধকৰ সৃষ্টি কৰে । ঠিক সেই সেই ধৰণে প্ৰশাসনীক দীৰ্ঘসূত্ৰ তায়ো সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত প্ৰতিবন্ধকৰ সৃষ্টি কৰে। গতিকে এই বিষয়টো চিন্তা কৰিব লগা হৈছে । এডমিনিষ্ট্ৰেচন ৰিফৰ্ম চ কমিচনে প্ৰশাসনীক গাথনি কেনে হব লাগে সেই বিষয়ে পৰামৰ্শ দিছে । সেই পৰামৰ্শক্ৰমে, আমাৰ ৰাজ্যিক চৰকাৰও এই ৰাজ্যৰ প্ৰশাসনীক গাঠনী পৰিবৰ্ত্তন কৰিব লাগে আৰু তাক দ্ৰুত গতিৰে আগবঢ়াই নিব লাগে ।

আমি কেৱল চৰকাৰী বিষয়া সকলক দোষাৰোপ কৰিব খোজা নাই । কিন্তু সময় কাল পাত্ৰ ভেদে মানসিক অৱস্থাৰো পৰিবৰ্ত্তন কৰিবৰ সময় হৈছে । আমাৰ বাহিৰৰ পৰা আই, এ, এচ অফিচাৰ সকল অনা বন্ধ কৰিব লাগে । কাৰণ তেওঁ-লোক আমাৰ গ্ৰাম্য জীৱনৰ লগত মিলিব নোৱাৰে । গতিকে আমাৰ অসমৰে যি সকল এ, চি, এচ পৰিক্ষাত উত্তীৰ্ণ হোৱা ডেকা লৰা আছে তেওঁলোকক দায়িত্ব দিব লাগে । আৰু তেতিয়াহে তেওঁলোকৰ কাৰ্য্যদক্ষতা বাঢ়িব । আমাৰ দেশৰে কৰ্ম্মদক্ষতা থকা ডেকা লৰা সকলক এই কামত নিয়োগ কৰিলে আমাৰ গ্ৰাম্য জীৱনৰ লগত তেওঁলোক মিলিব পাৰিব । ৰেভিনিউ চেক্ৰেটাৰী মিঃ কৃষ্ণ মুৰ্তি আৰু এগ্ৰিকালচাৰ চেক্ৰেটাৰী মিঃ নটৰাজনে আমাৰ সাধাৰণ মানুহৰ কথা কেনেকৈ বুজিব ? তেওঁলোকে কৃষক সকলক কি সমিধান দিব । তেওঁলোকৰ সমস্যাই বা বুজিব কেনেকৈ ? মনস্তাত্বিক অৱস্থা পৰিবৰ্ত্তন কৰিবৰ কাৰণে আমাৰ বিষয়া সকলে চেষ্টা কৰিব লাগে । আমাৰ বিভাগৰ উপৰি বিভাগ হৈছে এই বিলাকক কমাব লাগে । প্ৰশা-সনীক দক্ষতা বঢ়াবৰ কাৰণে বিভাগৰ সংখ্যা কমাব লাগে । এই সদনত মই পৰামৰ্শ আগবঢ়াব খোজো যে এই সদনৰ এটা কমিটি হব লাগে, যিটো কমিটিৰে প্ৰশাসনীয় দক্ষতা বঢ়োৱাত সহায় কৰাৰ পৰামৰ্শ দিব পাৰে । প্ৰশাসনীয় দীৰ্ঘসুত্ৰতা কমাই কেনেকৈ কাম নিয়াৰিকৈ কৰিব পৰা হয় সেই বিষয়েও চিন্তা কৰিবৰ হ'ল । আমাৰ জিলা বিলাকত গড়কাপ্তানি বিভাগৰ চুপাৰিনটেনডিং ইঞ্জিনিয়াৰ সকল আছেই আছে । অথচ তেওঁলোকৰ কাৰণে বহু খৰচ কৰিব লগা হয় । আৰু

তাৰ ফলত কাম একো নহয়। ঠিক সেই ধৰণে এডিচনেল চিফ ইঞ্জিনিয়াৰো ৬ জন আছে। আমি জনা মতে কোনোৱা এজন বিশেষ লোকৰ জোৱায়েকক প্ৰমোচন দিবলৈ যাওঁতে ৬ জন এডিশ্যনেল্ল চীফ্ ইঞ্জিনীয়াৰক প্ৰমোচন দিব লগীয়া হল। ঠিক সেই ধৰণে পাব্লিচিটি বিভাগৰ দুটা বিভাগ মন্ত্ৰীৰ চুইট উইলৰ কাৰণে গঠন কৰা হ'ল। এটা সাংস্কৃতিক বিভাগ আৰু আনটো সাধাৰণ প্ৰচাৰ আৰু জন সম্পৰ্কী বিভাগ। প্ৰশাসনীয় ক্ষেত্ৰত এনে বিলাক বেমেজালী চৰকাৰে আঁতৰ কৰিব লাগে আৰু সকলো ক্ষেত্ৰতে চৰকাৰে এই ৰাজ্যৰ থলুৱা ডেকা সকলক কাম-কাজত নিয়োগ দিবলৈ সুবিধা দিব লাগে।

অধ্যক্ষ ঃ কেইবাগৰাকী সদস্যই কবলৈ বাকী আছে, গতিকে আপোনাৰ কাৰণে পাঁচ মিনিট সময় দিয়া হল।

শ্ৰীগিয়াচুদ্দিন আহমদ ঃ * অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আজি গণতান্ত্ৰিক পদ্ধতি গঠন কৰিছে, মই কব বিচাৰিছো যে গণতন্ত্ৰৰ ভবিষ্যত বিশেষ কৰি চৰকাৰ তথা মন্ত্ৰীসকলৰ যোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্ত্তমান আমি যিবোৰ কাৰবাৰ দেখিছো দুৰ্নীতিৰ অভিযুক্ত নানা ৰকমৰ কথা লক্ষ্য কৰি দেখিছো যে এই দুৰ্নীতি আৰু চুৰাং কাৰবাৰৰ কাৰণে জনসাধাৰণ গণতন্ত্ৰ পদ্ধতিৰ ওপৰত আস্থা হেৰুৱাইছে বুলি কলেও অত্যুক্তি কৰা নহব। আমি পৃথিৱীত নানা দেশ দেখিছো আৰু নানা দেশৰ কথা জানিছো। আমাৰ ওচৰ-চুবুৰীয়া দেশ পাকিস্থানৰ কথাকে কওঁ— প্ৰথমতে যেতিয়া গণতন্ত্ৰৰ পদ্ধতিত তেওঁলোকৰ চৰকাৰ গঠিত হৈছিল তেতিয়া মন্ত্ৰী সভাখনে নানা ধৰণৰ দুৰ্নীতিক প্ৰচয় দিছিল আৰু নানা ধৰণৰ কু-প্ৰবৃত্তি কৰিছিল। এইবোৰৰ ফলতেই গণতন্ত্ৰৰ পতন ঘটিছিল আৰু তাত একনায়কৰ সৃষ্টি হৈছিল। সেই কাৰণে মই কব বিচাৰিছো গণতন্ত্ৰ সোনকালে স্থাপন কৰিবলৈ হলে আজি চৰকাৰে দায়িত্ব সম্প্ৰসাৰণ কৰিব লাগিব আৰু কত কত কাৰণ আছে তাক দুৰ কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব।

সংখ্যা গৰিষ্ঠ লোকেই তেওঁলোকৰ দলপতি নিৰ্ব্বাচিত কৰে আৰু সেই নেতা গৰাকীয়ে বাকীবিলাক মন্ত্ৰীক নিৰ্ব্বাচিত কৰি আন আন ভাৰ দিয়ে। কিন্তু আনবিলাকক সংখ্যা গৰিষ্ঠ লোকে নিৰ্ব্বাচন নকৰে। এইটো এটা কনভিনিয়েন্চ চলি আছে যে— সেইটো হল মুখ্যমন্ত্ৰী দেৱে আন আন মন্ত্ৰীক নিযুক্তি কৰোতে তেওঁলোকৰ যোগ্যতাৰ ফালে চকু ৰাখিহে নিযুক্তি দিব লাগে। কিন্তু আমি দেখিছো তেওঁলোকৰ বেয়া কথা বিবেচনা নকৰি, চৰিত্ৰৰ বিষয়ে বিবেচনা নকৰি, পাৰদৰ্শিতা বিবেচনা নকৰি আৰু অৰ্হতা বিবেচনা নকৰি নিযুক্তি কৰে। কেতিয়াবা প্ৰাৰ্থীৰ

স্বাৰ্থ ৰক্ষা কৰিবৰ কাৰণে যাকে-তাকে মন্ত্ৰীসভাত সোমোৱাই লয়। কিন্তু বৰ্ত্তমানৰ মন্ত্ৰী সভাৰ সম্পৰ্কে মই কব খোজা নাই। কাৰণ বৰ্ত্তমানৰ মন্ত্ৰী কেইজনৰ লগত এতিয়ালৈকে আমি ভালকৈ সহযোগ কৰা নাই। মন্ত্ৰীসকলে আজি সকলো কথাৰ ওপৰত চকু ৰাখিব লাগিব। কাৰণ এই মন্ত্ৰীসভাৰ ওপৰতেই আজি দেশ খনে নিৰ্ভৰ কৰি চলিব। ইয়াৰ আগতে যিটো মন্ত্ৰীসভা গঠিত হৈছিল তাৰ ওপৰত আমাৰ বহুতো তিক্ততা জন্মিছিল আৰু তেওঁলোকৰ কাৰবাৰ বিলাক দেখি শুনি সচাকৈ বৰ দুখ লাগিছিল। কাৰণ দুৰ্নীতিত অভিযুক্ত বহু ৰকমে আমি পাইছিলো আৰু এই বিধানসভাৰ মজিয়াতে সেই সকলো দুৰ্নীতি প্ৰমাণিত হৈছিল। ইয়াৰ আগতে মন্ত্ৰীৰদুৰ্নীতিৰ অভিযোগ বিধান সভাতে প্ৰমাণিত হৈছিল। গতিকে বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীয়ে নিশ্চয় মন্ত্ৰীসকলৰ কাৰ্য্যৰ ওপৰত দৃষ্টি ৰাখিব। এতিয়া মন্ত্ৰীসকলে কি কৰা উচিত আৰু কি কৰা অনুচিত সেই সম্পৰ্কে দুষাৰ কব বিচাৰিছো। বৰ্ত্তমানৰ মন্ত্ৰীৰ বিষয়ে মই ভালকৈ নাজানো। প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীলৈ এখন চিঠি দিলে পোন্ধৰ দিনৰ ভিতৰত উত্তৰ দিয়ে। কিন্তু আমাৰ ইয়াৰ মন্ত্ৰীলৈ ৰাজহুৱা এখন চিঠি দিলে পোন্ধৰ মাহ পোন্ধৰ বছৰৰ মূৰতো উত্তৰ নাপায়। সেই কাৰণে মই কৈছো তেখেতসকল অলপ প্ৰম্পট্ হব লাগে আৰু নিজা নিজা বিভাগৰ কত কি কেৰণ আছে তাক জানিবৰ কাৰণে চেষ্টা কৰক। ড্ৰেছৰ ফালেও অলপ লক্ষ্য ৰাখিব লাগিব। অৱশ্যে খদ্দৰ এৰিবলৈ কোৱা নাই। কিন্তু অলপ সৰু হব লাগে। Live like a Saint and work like a horse. কিবা এটা ফাইলৰ অৰ্ডাৰ দিলে কামটো হলনে নাই তাৰ খবৰ নলয়। ফলত সাধাৰণ মানুহে মন্ত্ৰীৰ ওচৰলৈ আহিব লগা হয়। আনহাতেদি অৰ্ডাৰ কেৰাণীৰ তাতেই পৰি থাকে। গতিকে এই অৰ্ডাৰ পাছ কৰাৰ পাছত কামবিলাক হলনে নাই তাৰ বাবে ডায়েৰী মেইণ্টেইন্ কৰিব লাগে। তাৰ পাছত কোন তাৰিখে কোনটো পাৰছু কৰিব তাক ডায়েৰীত লিখা থাকিব লাগে। এই ভাগে কৰিলে মোৰ বোধেৰে কামবিলাক দ্ৰুত-গতিত হব। চিফ্ চেক্ৰেটৰী, কমিচনাৰ, চেক্ৰেটৰী, জইণ্ট চেক্ৰেটৰী, এডিচনেল চেক্ৰেটৰী আদিক লৈ ৭২ জন উচ্চ পদস্থ বিষয়া আছে। আণ্ডাৰচেক্ৰেটৰী আগতে আছিল ১২ জন। ১৯৭২ চনত হল ১৫ জন। ডেপুটি চেক্ৰেটৰী আছিল ৩২ জন। কিন্তু ১৯৭২ চনত হল ৩৭ জন। ষ্টেনগ্ৰাফাৰ আছিল ১৮ জন, ১৯৭২ চনত হ'ল ৭১ জন। এইদৰে দেখা গৈছে ওপৰ মহলৰ কৰ্ম্মচাৰীৰ সংখ্যা বাঢ়িছে আৰু তলখাপৰ কৰ্ম্মচাৰী ৰিট্ৰেনচ্ হব

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ ❋ মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণ প্ৰশাসনৰ শিতানত মই দুষাৰ কথা কব খুজিছো। এই সংক্ৰান্তত বহুতো আলোচনা হৈ গৈছে। আমাৰ প্ৰশাসনত যে যথেষ্ট খেলিমেলি আছে তাক সকলোৱে উল্লেখ কৰিছে। সাধাৰণ প্ৰশাসনৰ লগত দেশখন জড়িত হৈ আছে। এইটোৰ যদি উন্নত নহয় তেনেহলে আমাৰ দেশৰ অৱস্থা ভাল হব নোৱাৰে। আমাৰ কাছাৰী বিলাকত খুউব বেছি ধৰণে খেলিমেলি হৈ আছে। গতিকে প্ৰথমতে মহকুমা পৰ্য্যায়ৰ কাছাৰীৰ প্ৰশাসনটো ভাল কৰাৰ কাৰণে চেষ্টা কৰাটো ভাল হব। কাৰণ ৫০,৬০ মাইল দূৰৰ পৰা সাধাৰণ ৰাইজ মহকুমা সদৰলৈ আহে। তেওঁলোকৰ যদি একো কাম নহয় তেনেহলে ৰাইজৰ প্ৰশাসনৰ ওপৰত আস্থা হেৰাই যায়। আমাৰ দুৰ্নীতি আৰু দক্ষতাহীন এই দুটাই ডাঙৰ বস্তু হৈ পৰিছে। ইয়াক দূৰ কৰিব নোৱাৰিলে প্ৰশাসন কেতিয়াওঁ নিকা হব নোৱাৰে। অধ্যক্ষ মহোদয়, আমি আৰু এটা অভিজ্ঞতা দেখিছো, সেইটো হৈছে এই—জিলা সদৰৰ মানুহে যিবিলাক দৰ্খাস্ত পঠাই দিয়ে বা আহে বা যিবিলাকৰ সম্পৰ্ক আমাৰ ৰাজধানীৰ লগত জড়িত আছে মহকুমা বা জিলাবিলাকৰ পৰা সেইবোৰ ৰাজধানীলৈ পঠিয়াই দিয়ে অৰ্থাত ৰাজ্যিক চৰকাৰলৈ পঠিয়াই দিয়ে। সেইবোৰ মাহ কে মাহ নালাগে বছৰৰ পিছতো সেইবিলাকৰ পৰা উত্তৰ পোৱা কঠিন। মোৰ মূল কথাটো হল এইটোৱেই যে তলৰ পৰা যিবিলাক চিঠি ওপৰলৈ আহে কম দিনৰ ভিতৰত সেইবিলাকৰ পৰা উত্তৰ পোৱাৰ ব্যৱস্থা আজিলৈকে নাই। অকল সেয়ে নহয়, এটা বিভাগৰ পৰা আন এটা বিভাগলৈ পঠাওঁতে বা লিখোতে বিলম্ব আৰু অধিক হয়। যিসকল ছিলংলৈ আহি টকা-পইচা খুৱাব পাৰে সেইসকলে সুবিধা কৰি কাম আদায় কৰি লৈ যায়, আৰু নোৱাৰা সকলৰ কাম পৰি থাকে। আনহাতে সেইসকলক যেনেকুৱা ব্যৱহাৰ কৰিব লাগে তেনেকুৱা ব্যৱহাৰ কৰা দূৰৰ কথা তেওঁলোকক অবহেলাৰ চকুৰে চায়। ফলত তেওঁলোকৰ কামটো কৰি দিবৰ কাৰণে অকনো চেষ্টা নকৰে। মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো—যাতে আমাৰ বিভাগীয় সমন্বয়টো ভালে থাকে তাৰ বাবে লক্ষ্য কৰে। নহলে এই ক্ষেত্ৰত দীৰ্ঘসূতীতা চলিয়েই থাকিব।

অধ্যক্ষ মহোদয়, বাজেট বিতৰ্কৰ সময়ত মই কিছুমান পৰামৰ্শ চৰকাৰক দাঙি ধৰিছিলোঁয়েই, এতিয়াও মই চৰকাৰক কেইটামান পৰামৰ্শ দিওঁ ; সেই কেইটা হৈছে, প্ৰথমতে কওঁ—আমাৰ এটা এডমিনিষ্ট্ৰেটিভ ৰিফৰ্ম কমিটি হব লাগে। সিদিনা মুখ্যমন্ত্ৰী মহোদয়ে কোৱা মনত আছে যে আমাৰ কৰ্ম্মচাৰীৰ সংখ্যা বেছি

❋ Speech not corrected.

হৈছে, মই কওঁ কৰ্ম্মচাৰীৰ সংখ্যা বেছি হোৱা নাই, কিন্তু এই ক্ষেত্ৰত ৰেচলাই-জেশ্যন হোৱা নাই । যোগান বিভাগত মানুহ বেছি হৈছে, তাত কাম বেছি নাই । শিক্ষা বিভাগত কাম বহুত, কিন্তু মানুহ কম । প্ৰশাসন ভাল হবলৈ হলে এখন স্কুল কমিটি হব লাগে । তাৰোপৰি বিভাগবোৰত দুৰ্নীতি চলি আছে, দ্বিতীয়তে, কৰ্ম্মচাৰী সকলৰ দুৰ্নীতিৰ কথাকে কওঁ কিছুমান টেবুলত কিছুমান গুৰুত্ব পূৰ্ণ কাম থাকে । একেখন টেবুলত ১২–১৩ বছৰ কাম কৰাৰ পিচত একোজন মানুহৰ ভালেখিনি অসুবিধা অভিজ্ঞতা হয়, সেইকাৰণে তেওঁলোকে টকা আদি খোৱাৰ ভাল সুবিধা হয়, সেইকাৰণে মই কওঁ সেই টেবুল বোৰৰ মানুহ বোৰক বছৰে বছৰে, সলনি কৰি দিব লাগে । এনে হলে দুৰ্নীতি দুৰীকৰণত কিছু সুবিধা হয় ।

শ্ৰীপ্ৰেমধৰ বৰা ঃ অধ্যক্ষ মহোদয়, মই সাধাৰণ প্ৰশাসনৰ শিতানত চৰকাৰক দুআষাৰমান পৰামৰ্শ দিব খুজিছো । আমাৰ সিংহ ডাঙৰীয়াৰ প্ৰতি মোৰ ব্যক্তিগত অনুভূতি আছে । এই ৬ মহীয়া শাসন যন্ত্ৰৰ পৰিচালনা দেখি মোৰ ব্যক্তিগত ধাৰণা হৈছে যেন আমাৰ সিংহ ডাঙৰীয়া এখন নতুন এম্বেচেদৰ গাড়ীতহে উঠিছে মাত্ৰ, তেখেতক মই পৰামৰ্শ দিওঁ, নতুন এম্বেচেদৰ গাড়ীত উঠিলেই নহয়, গাড়ীৰ ষ্টেয়াৰিংও ধৰিবলৈ শিকক আৰু কওঁ ষ্টেয়াৰিং ধৰি গাড়ীখন ভালকৈ চলাবলৈ শিকিলেই নহয়, গাড়ী খনৰ বল, নট আদিও টাইট কৰিবলৈ শিকক । তাকে কৰিবলৈ হলে আমাৰ ফালৰ পৰা যিখিনি সহযোগ আগবঢ়াব লাগে সেইখিনি আমি আগবঢ়াম ।

তেখেতে এতিয়া ৯৫ জন বচা সদস্য লৈ এটা শক্তি-শালী দলৰ নেতৃত্ব কৰিছে ইয়াত কৈ আৰু তেখেতক কি লাগে ?

শ্ৰীচৈয়দ আহমেদ আলী ঃ তেখেত সকলে চক এবচৰভাৰ ঠিক কৰি লওক ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ চক এবচৰভাব আমাতকৈ তেখেত সকলে বেছি কৰিছে যেনে পাইছো । তেখেতসকলে আগতে ঠিক কৰি লওক ।

শ্ৰীপ্ৰেমধৰ বৰা ঃ সিংহ ডাঙৰীয়াৰ ৯৫ জন সদস্য লৈ চৰকাৰ গঠন কৰাত যদি আপচোচ আছে তেনেহলে মই ব্যক্তিগত ভাৱে সমৰ্থন কৰিবলৈ সাজু আছোঁ । তেখেতে ৯৫ জন বচা সদস্যৰে এখন সমিতি পাইছে, এখন মন্ত্ৰীসভা পাইছে —এই সকলক লৈ তেখেতে শাসন যন্ত্ৰটো নিকা কৰি লওক । মই ভাবো আজি সিংহ ডাঙৰীয়াই যিসকল সদস্য পাইছে ইয়াৰ আগতে অসম বিধান সভাত এনে সদস্য আগতে কোনেও পোৱা নাই । গতিকে এনেকুৱা এটা অৱস্থাত এম্বেচেদৰ গাড়ীত ... নাট বল আদি লগাবলৈ শিকক ।

তেতিয়াহলে মই ভাবো এহেঁচেদৰ গাড়ীৰূপী আমাৰ শাসন যন্ত্ৰটো নিকা হব।

গতিকে অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক এই কেইটা মৰামৰ্শ দিবলৈ বিচাৰো— ( ১ ) তেখেতে কথা কমাই কওক আৰু কাম বেছি কৰিবলৈ লওক। ( ২ ) দূৰ্নীতি দুৰীকৰণৰ কথা বিলাকত হৈ-চৈ নকৰি ৰৌজাল-বৌজাল নকৰি উপায় অৱলম্বন কৰক আৰু তেখেতৰ টিমটোকো তাকে পালন কৰিবলৈ আদেশ দিয়ক। তেতিয়াহলে ৰাইজৰ প্ৰশাসন যন্ত্ৰটো কট-কটীয়া হব। জিলা প্ৰশাসনত জৰ্জ্জৰিত হোৱা লোকসকলৰ অৱস্থা ঘুৰি ফুৰি বা ভ্ৰমণ কৰি ঠিক কৰিব নোৱাৰে। শাসনযন্ত্ৰৰ বলনট্ ভালকৈ লগাব পাৰিলে আৰু দুৰ্নীতিৰ কথা মুখত নকৈ কাৰ্য্যত পৰিণত কৰিলে শাসন যন্ত্ৰটো সহজে নিকা হব বুলি মই ভাঁবো আৰু মানুহেও শাসন যন্ত্ৰটো ভাল হৈছে বুলি ভাবিব। তেখেতে আন-প্ৰডাক্‌টিভ্ প্লেন, বং প্লেন আদিৰ কথা কৈছে আৰু বাজেটত ৪০১ কোটি টকা খণৰ কথা কৈছে। এইবিলাকক এতিয়া তেখেতে অভিজ্ঞতা হিচাবে লৈ সংশোধিত প্লেন আৰু স্কিম কৰি আগৰ পুৰণি নীতি সংশোধন কৰিবলৈ শিকক। ইয়াকে কৰিলেই মই ভাবো আমাৰ শাসনযন্ত্ৰটো ভাল হব আৰু দেশখনক আগবঢ়াই নিয়াত নেতৃত্ব দিবলৈ তেখেতৰ বহুত সহায় হয়।

শ্ৰীধ্ৰুব নাৰায়ণ বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাবৰ বিৰোধীতা কৰিছো। কাৰণ চৰকাৰে যি দৰে কাৰ্য্য সূচী হাতত লবলৈ বিচাৰিছে এই টকা অপৰিহাৰ্য্য। কিন্তু আচল কথা হল আমাৰ প্ৰশাসন যন্ত্ৰটোৱে কিমান দূৰ বৰ্ত্তমান চৰকাৰৰ আশা পূৰণ কৰিব পাৰিব সেইটোহে ডাঙৰ কথা। প্ৰশাসন যন্ত্ৰৰ ওপৰত বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যসূচী কামত ৰূপায়িত কৰাৰ ভালেমান দায়িত্ব আছে। সুখৰ বিষয় সৰহ সংখ্যক কৰ্ম্মচাৰী আৰু বিষয়াই চৰকাৰৰ নীতি গ্ৰহণ কৰিছে। সেই কাৰণে তেওঁলোকৰ সলাগ লৈছো। কিন্তু এতিয়াও কিছুমান ওপৰ মহলাৰ বিষয়াই চৰকাৰৰ দৃষ্টি ভংগী আৰু কাৰ্য্যসূচী বা পৰিবৰ্ত্তি নীতি অন্তৰেৰে গ্ৰহণ কৰিব পৰা নাই। সেই সকল বিষয়াই আজিও পৰিবৰ্ত্তনৰ লগত খাপ খোৱাই লব পৰা নাই। আটাইবিলাক বিভাগৰ কথালৈ নগৈ উদাহৰণ স্বৰূপে প্ৰচাৰ বিভাগৰ কথাকে কৈছো।

( প্ৰচাৰ বিভাগৰ বেলেগ শিতান আছে, তেতিয়া কব এতিয়া নহয় )

মই প্ৰচাৰ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত মোৰ কথা কোৱা নাই। সাধাৰণ প্ৰশাসনৰ পৰা প্ৰচাৰ বিভাগটো বেলেগ নহয়। মই প্ৰশাসনৰ বিভিন্ন বিভাগৰ কথাকেহে কব খুজিছোঁ। ...

চৰকাৰৰ নীতিৰ লগত আৰু পৰিবৰ্ত্তনৰ লগত নিজকে খাপ খুৱাই লব পৰা নাই। তেওঁলোকৰ আনুগত্য এইখন চৰকাৰৰ প্ৰতি সন্দেহ জনক। কিছুমানে কাম কৰি ভাল পাইছে, কিছুমানে পোৱা নাই। ভাল নোপোৱা সকলৰ ভিতৰত পাব্লিচিটি বিভাগৰ ডাইৰেক্টৰ এজন।

এইজন বিষয়া কেন্দ্ৰীয় চৰকাৰৰ। তেওঁৰ এতিয়াও তাত চাবচটেনটিভ পষ্ট আছে। আগতেই এই পাব্লিচিটি বিভাগটো এটা আছিল। পিছত কিয় দুটা কৰিবলগীয়া হল? এটা পাব্লিক ৰিলেচনচ আনটো কালচাৰেল এফেয়াৰচ। এই জন বিষয়া ই প্ৰথমে ডিৰেক্টৰৰ পদবিৰ কাৰণে দৰ্খাস্ত কৰিছিল। কিন্তু পাবলিক চাৰভিচ কমিচনে তেওঁৰ মনোনয়ন নিদি আন এজনক দিলে। এই জন বিষয়াই তেওঁৰ যোগ্যতা প্ৰমান কৰিব নোৱাৰিলে। কিন্তু তথাপিও তেওঁ ডিৰেক্টৰ হল আৰু আচলতে এওক ডিৰেক্টৰ কৰিবলৈকে বিভাগটো দফাল কৰা হ'ল। আজিও এইজন বিষয়াই পাবলিক চাৰভিচ কমিচনৰ পৰীক্ষাত উত্তীৰ্ণ হব পৰা নাই। কিন্তু ইমানেই নহল এইজন বিষয়াই চৰকাৰৰ লগত সহযোগিতা আগবঢ়াব পৰা নাই। মুখ্যমন্ত্ৰীয়ে ৰাম কৃষ্ণ নগৰত বিবৃতিও দিয়া বুলি কিছুমান কাগজত ভুলকৈ প্ৰচাৰ কৰাৰ কথা মহোদয়ে জানে। কিন্তু ডিৰেক্টৰ হিচাবে তেওঁ এনে এটা ভুল খবৰ প্ৰকাশিত হোৱাৰ ফলত যি ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেই ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হৈছে। তেওঁ মুখ্যমন্ত্ৰীৰ লগত ফোনত যোগাযোগ কৰি আচল কথাটো জানিবলৈ বাতৰি কাকতৰ খবৰটো কনট্ৰাদিক কৰিব লাগিছিল। কিন্তু সেই গুৰু দায়িত্ব তেওঁ পালন কৰা নাই যাৰ ফলত মুখ্যমন্ত্ৰী বিব্ৰত হব লগা হৈছিল।

অধ্যক্ষ মহোদয়, জানে যে ১লা ফেব্ৰুৱাৰীৰ পৰা ৰেডিয়ৰ জৰিয়তে কোনো নিৰ্ব্বাচনী প্ৰচাৰ চলিব নোৱাৰে কিন্তু ডিৰেক্টৰে এই কথা জানিও মুখ্য মন্ত্ৰীক বিব্ৰত কৰিবৰ কাৰণে তেওঁ নিজেই গৈ মুখ্যমন্ত্ৰীক দুই ফেব্ৰুৱাৰী তাৰিখে গৈ এটা ৰেডিয় ভাষণ দিবলৈ জোৰ কৰিছিল। ৰেডিও ষ্টেচনৰ বন্ধু সকলে এই কথা আঙুলিয়াই নিদিয়া হলে মুখ্য মন্ত্ৰীৰ অৱস্থাটো কেনে হলহেতেন মুখ্য মন্ত্ৰীয়ে ভালকৈ বুজিব পাৰে। এইয়া এটা উদাহৰণ আন কিছুমান বগা হাটী অনৰ্থক পুহিছো। এওঁলোকক ৰখাৰ কোনো যুক্তি নাই। ৰাজ্য চৰকাৰৰ বিষয়াৰ ভাত মাৰী কেন্দ্ৰীয় চৰকাৰৰ পৰা অনা বগা হাটী বিলাক যিমান সোনকালে এৰি দিয়া যায় সিমানেই মঙ্গল।

( অধ্যক্ষই বাৰে বাৰে সময়ৰ সংকেট দিয়ে আৰু মাননীয় সদস্যই নিজৰ আসন লয় । )

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী ঃ সাধাৰণ প্ৰশাসন সম্পৰ্কত মই এই কথাই কব খুজিছো যে আমাৰ শাসন যন্ত্ৰটো একেবাৰেই অকামিলা হৈ গৈছে । এই শাসন যন্ত্ৰৰ ওপৰত বৃটিচ চৰকাৰে সৃষ্টি কৰা ৰাজ্যপালৰ পদটো উঠাই দিব লাগে । ইয়াৰ কাৰণে সমগ্ৰ ভাৰততে লাখ লাখ কোটি কোটি টকা খৰচ হয় । ইয়াৰ পৰা ৰাইজৰ কোনো উপকাৰ হোৱা নাই । এই শাসন যন্ত্ৰটো অতি পুৰণি কলিয়া আৰু তাৰ অঙ্গে অঙ্গে ঘুনে ধৰিছে । এই শাসন যন্ত্ৰই আজি সমাজ বাদত গৰিবী হাতাও ধনীজনে সাধাৰণক শোষণ কৰিছে । ইয়াক অতি সোনকালে বদলাবৰ সময় হল । ৰাজ্য পালৰ পদৰ ঠাইত এখন এডভাইচাৰী কাউনচিল কৰি এই লাটচাহাবৰ পদটো উঠাই দিব লাগে আৰু মুখ্য মন্ত্ৰী ডাঙৰীয়াই শাসন যন্ত্ৰৰ ষ্ট্ৰাকচাৰেল চেইনজও কৰিব লাগে আৰু সমাজবাদৰ পতভূমিত নতুন শাসন যন্ত্ৰ নিৰ্ম্মান কৰিব লাগে । আজি কৰ্ম্মচাৰী সকলৰ যি অৱস্থা সেইটো বৰ শোকলগা । এনেকুৱা ধৰণৰ পৰা আমি শুনিছো যে যাৰ পাচত মন্ত্ৰী বা এম এল এ নাই তেওঁলোকৰ নিষ্টাৰ নাই । এই দৰেই আজি সকলো বিলাক কৰ্ম্মচাৰীৰ ভিতৰত এপইণ্টমেণ্ট প্ৰমোচন ট্ৰেনচফাৰ আদিৰ ক্ষেত্ৰত বিজুতি ঘটিছে । যি সকল অফিচাৰৰ পাচৰ দিল্লি বা চিলঙত ব্ৰেক নাই তেওঁলোকৰ উন্নতিৰ আশা নাই এইটো বৰ দুখৰ কথা ।

( সময়ৰ সংকেট )

আমি দেখিছো এজন জেল খোৱা কৰ্ম্মচাৰীয়েও আচৰিত ধৰণৰ কাম কৰি আছে । সেই কৰ্ম্মচাৰী জনে লয়াৰ কোৰ্ট হাইকোৰ্টত জেল খোৱাৰ পিছতো এতিয়াও কাম কৰি আছে ।

মাননীয় অধ্যক্ষ ঃ আপুনি নামটো দি দিব ।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী ঃ হয়, মই নামটো দিব পাৰিম মোৰ হাতত আছে । গতিকে এই প্ৰশাসনীয় যন্ত্ৰটো যত এই প্ৰকাৰৰ দুৰ্নীতি বিলাক সোমাই আছে যত কোনো এক শ্ৰেণীৰ কৰ্মচাৰীক বিশেষ ভাবে সহানুভুতি আৰু স্বজন প্ৰীতি আছে সেই যন্ত্ৰটো বদলাব লাগে ।

( সময়ৰ সংকেট )

( মাননীয় সদস্যই নিজৰ স্থান লয় । )

শ্ৰীমালচন্দ্ৰ পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন

কেইটা ডি, টি, অ, আৰু এনফৰ্চমেণ্ট অফিচাৰ ৰাখিছে তাৰ পৰা কোনো কাম অহা নাই । এই কেইটা অফিচাৰ ৰখাৰ পৰা আমাৰ কোনো কাম হোৱা নাই । কাৰণ, তেওঁলোকৰ যিটো কাম সেইটো আমাৰ পুলিচ সকলেই কৰিব পাৰিব । সেইবিলাক অফিচাৰ তেওঁলোকৰ নিজৰ স্বাৰ্থৰ কাৰণে আছে । গতিকে সেইবিলাক বিষয়া ৰখাৰ কোনো দৰ্কাৰ নাই আৰু সেইবিলাক উঠাই দিব লাগে ।

দ্বিতীয় কথা হল, আমাৰ যিসকল আই, এ, এচ্ অফিচাৰ আছে তেওঁ-লোকক বহুকেইজন সদস্যাই নালাগে বুলি কৈছে । কিন্তু মই কওঁ আমাৰ ৰাজ্যত আই, এ, এচ্ অফিচাৰ সকলৰ দৰ্কাৰ আছে । কাৰণ আই, এ, এচ্ অফিচাৰ সকলে যিমান বহল মনোভাবেৰে আৰু নিস্বাৰ্থ হিচাবে কাম কৰে আন বিলাকে তেনেকৈ কৰিব নোৱাৰে ।

তিনি নম্বৰ কথা হল "কৰাপচন" । আমাৰ স্কুল বিভাগত ইমান কৰাপচন আছে যে তাক ভাবিবই নোৱাৰি । ( ভইচেচ্—এই কৰ্ত্তন প্ৰস্তাৱটো স্কুলৰ বিষয় লৈ নহয় )

তাৰ পাছত আমাৰ অভিজ্ঞতা থকা অফিচাৰ সকলক যদি বাদ দিওঁ তেন্তে প্ৰশাসনত বহুত বেমেজালি হব । কাৰণ অভিজ্ঞ অফিচাৰ সকলে যিটো কাম কৰিব পাৰে, সেইটো অনভিজ্ঞ এজনে কৰিব নোৱাৰে । গতিকে ইমান দায়িত্বপূৰ্ণ কামবিলাকত যদি অভিজ্ঞতা সম্পন্ন লোকক নিদি অনভিজ্ঞ সকলক দিয়া হয় তেন্তে বহু খেলিমেলি হব । যিহেতু অভিজ্ঞ অফিচাৰ সকলে সকলো কাম নিয়াৰিকৈ কৰে । যি সকলে আই, এ, এচ, অফিছাৰ নেলাগে বুলি কৈছে তেওঁলোকৰ জনাত আই, এ, এচ অফিচাৰসকলে কাম কৰিব নেলাগে বা তাত কাম কৰিবলৈ দিব নেলাগে, কিন্তু আমাৰ জনজাতিয় এলেকাত এনে অফিচাৰৰ প্ৰয়োজন আছে আৰু তেওঁলোকৰ পৰা জনজাতিয় লোকসকল বহু উপকৃত হৈছে ইয়াকে কৈ মোৰ ৰক্তব্যৰ সামৰনি মাৰিলো ।

Shri Sarat Chandra Sinha ( Chief Minister ) : Mr. Speaker, Sir, I have very attentively listened to the Honourable Members.

(A voice - ( in Assamese )

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যসকলে কৰ্ত্তন প্ৰস্তাবৰ সম্পৰ্কত যিখিনি উপদেশ দিলে আৰু যিখিনি কথা কলে—সেইখিনি মই মনোযোগেৰে শুনিছো ।

এটা পৰিৱৰ্ত্তন আনিব লাগে—এই কথা মই ভালদৰে উপলব্ধি কৰিছো আৰু সদনত প্ৰত্যেক সদস্যাই উপলব্ধি কৰিছে ।

প্ৰশাসন ব্যৱস্থাত সেই পৰিবৰ্ত্তন আনিবলৈ হলে আমাৰ এটা নতুন দৃষ্টিভঙ্গীৰ প্ৰয়োজন । সেই দৃষ্টি-ভঙ্গি কেৱল সদনৰ সদস্যসকলৰ কাৰণে বা মন্ত্ৰীসকলৰ কাৰণে হলে নহব । সেই দৃষ্টি-ভঙ্গি আমাৰ গোটেই সমাজতেই আনিব আৰু সেই দৃষ্টি-ভঙ্গি আনিবলৈ হলে আমি সমাজৰ প্ৰত্যেক জনসাধাৰণৰ সহায়ক হব লাগিব । তাৰোপৰি এই দৃষ্টি-ভঙ্গিটো জন-সমাজৰ দৃষ্টি গোচৰ হব লাগিব । তাৰ বাবে আমি প্ৰত্যেক ৰাজনৈতিক নেতা সকলে আগ-ভাগ লব লাগিব । সাধাৰণে যদি এই প্ৰচেষ্টা বিলাকত অংশ গ্ৰহন নকৰে, তেনেহলে সেই পৰিৱৰ্ত্তন অনাটো সম্ভৱপৰ নহব ।

অধ্যক্ষ মহোদয় মই এইটো কথা অনুভৱ কৰিছো যে আমাৰ প্ৰশাসন ব্যৱস্থাত শিথিলতা আছে আৰু দক্ষতাহীনো আছে । আমি যিসকলে সদনত আছো আৰু যিসকল সদস্যাই বাহিৰত আছে, প্ৰত্যেকেই কিছুমান কথাত সন্দেহৰ ওপৰত থাকিব লাগিব—সেই কথা মই ভালদৰে অনুভৱ কৰিছো । আমি এই কথাবিলাক সন্মুখত ৰাখি সকলোবিলাক বিবেচনা কৰিয়েই চৰকাৰৰ দৈনন্দিন যি নীতি সেই নীতি গ্ৰহণ কৰি আৰু দৈনন্দিন ব্যৱস্থা সমূহ গ্ৰহণ কৰিবলৈ চেষ্টা কৰি আছো । এই সম্বন্ধে মই নিঃ সন্দেহে সদস্যসকলক আশ্বাস দিব পাৰো যে যদিও আমাৰ প্ৰতিশ্ৰুতি পালনত বিলম্ব হোৱা বুলি ভাবিছে, কিন্তু তাৰ এটা সমাধান কৰিবৰ কাৰণে আমি যত্ন কৰিম । এইটো কথা থিক যে আমাৰ প্ৰশাসন ব্যৱস্থাত শিথিলতা আৰু দক্ষহীনতা আৰু বিলম্ব আহি পৰিছে । তাক দূৰ কৰাৰ কাৰণে আমাৰ যথেষ্ট ঠাই আছে—সেইবিলাক আমি কৰিব লাগিব ।

শ্ৰীদুলাল বৰুৱাই উত্থাপন কৰিছে যে ওপৰৰ পৰা তললৈ আৰু তলৰ পৰা ওপৰলৈ ফাইল আহোতে বহুত পলম হয় । ইয়াৰ এটা পৰিবৰ্ত্তন ঘটাব লাগিব । বৃটিছৰ দিনৰ শাসন ব্যৱস্থাই এতিয়াও চলি আছে । মই নিঃসন্দেহে কব পাৰো যে ইয়াক দূৰ কৰিবলৈ চেষ্টা কৰিম । আমাৰ শাসন ব্যৱস্থাত যিবিলাক দুৰ্নীতি আৰু কেৱণ আছে , সেই বিলাক দূৰ কৰিবৰ কাৰণে যথাবিহিত ব্যৱস্থা লোৱা হৈছে । মাননীয় সদস্যসকলে এই কৰ্ত্তন প্ৰস্তাৱত যিখিনি কথা উত্থাপন কৰিছে গোটেইখিনি উত্তৰ দিয়া সম্ভৱপৰ নহব । তাৰ পাছত আই, এ, এচ, অফিচাৰৰ সংক্ৰান্তত মই কব খোজোঁ যে এই বিষয়া সকল ভাৰত চৰকাৰৰ পৰা আমাৰ ইয়ালৈ আহি আছে । আমাৰ ইয়াৰ পৰাও মাজে-সময়ে গৈ আছে । মেঘালয়

মিজোৰাম ইউনিয়ণ টেৰিটৰিলৈ যোৱাৰ আগতে আমাৰ আই, এ, এচ্ অফিচাৰ আছিল ৫৮ জন আৰু গোটেই কেদাৰত আছিল ১১৮ জন। তাৰ পাছত তুৰা, চিলং আৰু আইজাল গুচি যোৱাত মাত্ৰ থাকিল ৫৫ জন। নতুনকৈ লক্ষীমপুৰ জিলা আৰু উত্তৰ কাছাৰ জিলা গঠণ হোৱাত আৰু দুজনৰ প্ৰয়োজন হল। মুঠতে ৫৭ জন হল। এতিয়া আই, এ, এচ্ পৰ্য্যায়ৰ ডিউটি প'ষ্ট কিছু পুনৰ বিনাশ কৰা হৈছে আৰু ইয়াৰ সংখ্যা হবগৈ ৫৭ জনৰ ঠাইত ৪৫ জন। তাৰ পাছত গোটেই আই, এ, এচ্ কেদাৰৰ এশ ওঁঠৰ জনৰ ঠাইত সাতানব্বৈ জন কৰা হৈছে। তাৰ পাছত আমাৰ আৰু বাকী বিভাগ বিলাকৰ পুনৰ বিনাশ কৰাৰ আৱশ্যক আছে। ইয়াৰ সংখ্যা কমাবৰ কাৰণে পৰীক্ষা কৰি আছে। এতিয়া আমাৰ বৰ্খাস্ত কৰা অফিচাৰৰ সংখ্যা যথেষ্ট বাঢ়িব ধৰিছে। এই কথা শ্ৰীবলভদ্ৰ দাস ডাঙৰীয়াই উল্লেখ কৰিছে। বৰ্খাস্ত কৰা অফিচাৰ বিলাককো আমি দৰ্ম্মহা দি থাকিব লগীয়া হৈছে। গতিকে দীৰ্ঘদিন এই কেচ্ বিলাক মীমাংসা নোহোৱাৰ কাৰণে চৰকাৰৰ ৰাজহৰ ধন অপচয় হৈছে। অফিচাৰৰ লোকচান নহয়, চৰকাৰৰহে লোকচান হয়। এইবিলাক সোনকালে সমাধান কৰিবৰ কাৰণে চিন্তা কৰা হৈছে। তাৰোপৰি অফিচাৰ সকলৰ দুঃচিন্তা হয়।

তাৰ পাছত পেন্সনৰ কথাৰ সম্পৰ্কত কব খুজিছো—মানুহ মৰি যায় অথচ পেন্সন নাপায়। মই অলপতে একাউন্টেণ্ট জেনেৰেলক মাতি আনি সুধিছিলো যে কিমান দিনৰ ভিতৰত কাগজ-পত্ৰবিলাক দিলে পেন্সন সোনকালে পাব। তেতিয়া তেখেতে কলে যে ছয়মাহৰ আগতে কাগজ-পত্ৰবিলাক দিলে পেন্সনপ্ৰাপ্তিয়ে পেন্সন ঠিকসময়ত পাব। গতিকে এতিয়া আমি ঠিক কৰিছো যে এক-ডেৰ বছৰৰ আগতে কাগজ-পত্ৰবিলাক দিম, তেতিয়াহলে পেন্সন পোৱাৰ লগে লগে অৰ্থাৎ এক মাহৰ ভিতৰতে টকাখিনি পাব। পেন্সন সোনকালে নোপোৱাৰ কাৰণে দীৰ্ঘদিন চৰকাৰী কামত আত্মনিয়োগ কৰা লোক জনে বাৰ্দ্ধক্য বয়সত অনেক কষ্ট পায়। পইছাৰ কাৰণে হাহাকাৰ কৰি ফুৰিব লাগে।

তাৰ পাছত বিভিন্ন বিভাগৰ কথা উল্লেখ কৰিছে যে বিভাগৰ পলমৰ কাৰণে সৰু-সুৰা কামবিলাক হৈ নুঠে। এতিয়া পেন্সনৰ ক্ষেত্ৰতে কব পাৰি যে যিজন বিষয়া পেন্সনত যায়, তেওঁৰ সহকৰ্ম্মীসকল আগ্ৰহশীল নোহোৱাৰ কাৰণে কাগজ-পত্ৰবোৰ পৰি থাকে। আমাৰ শাসন ব্যৱস্থাটো উন্নত কৰিব নোৱাৰিলে আমাৰ কামবিলাক দ্ৰুত-গতি হব নোৱাৰে। আমাৰ বিভাগ বিলাকৰ ওপৰৰ যিজন বিষয়া থাকে তেওঁলোকৰ ওচৰলৈ কোনো এটা কথাৰ সিদ্ধান্তৰ কাৰণে কাগজ-

পত্ৰবিলাক যাব লাগে। গতিকে সেই সিদ্ধান্তটো হওঁতে বহুত দেৰি হয়। সেই কাৰণে মই ভাৱিছো ধৰক শিক্ষাবিভাগতে প্ৰত্যেকটোৰে এটা সৰু সৰু কম্পাৰ্টমেণ্ট কৰি দি প্ৰত্যেকৰে অবৰ সচিবক চুড়ান্ত সিদ্ধান্ত লবৰ বাবে ক্ষমতা দিলে মোৰ বোধেৰে ভাল হব। শিক্ষা বিভাগক কিছুমান সৰু সৰু ভাগত ভাগ কৰি বৃত্তি, মঞ্জুৰী ইত্যাদিৰ ক্ষেত্ৰত স্কুলৰ গভাৰ্ণিং বডি, মেনেজিং কমিটি আদিয়ে অনুমোদন কৰি দিয়াৰ পিছত তেতিয়া সোনকালে এটা সীদ্ধান্ত লৈ তাৰ ওপৰত প্ৰয়োজনীয় ব্যৱস্থা আদি লবলৈ মোৰ বোধেৰে সুবিধা হব। এতিয়া যিটো অৱস্থাত আছে সেই অৱস্থাত কামটো কোনটো লেভেলত শেষ কৰিব পাৰি তাৰ কোনো ঠিক নাইকীয়া। তলৰ পৰা বিভিন্ন স্তৰেদি ওপৰলৈ যাওঁতে আৰু সেই দৰে ওপৰৰ পৰা তললৈ আহি চুৰান্ত সীদ্ধান্তলৈকে বহুত সময় লয়। এই এনেকুৱা এটা সময়ৰ ব্যৱধানতে কোনো থিৰাং সিদ্ধান্ত লব নোৱাৰি। ফলত দৰ্খাস্ত বিলাক দিলে তাত থকা অভিযোগ বোৰ কোন স্তৰত কিভাৱে আগৰাঢ়ে বৰ্ত্তমানৰ অৱস্থাত তাৰ সূত্ৰ ধৰিব নোৱাৰি। গতিকে এই বিলাক দৰ্খাস্তত উল্লেখ কৰা বিষয় বিলাকৰ ক্ষেত্ৰত চুৰান্ত সিদ্ধান্ত অতি সোনকালে লবৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। আমি আমাৰ শাসন ব্যৱস্থাটোৰ আমূল পৰিবৰ্ত্তন কৰাৰ কাৰণে বিশেষ ভাবে চিন্তা কৰিছোঁ। কিন্তু এইটোকে কৰিব নোৱাৰিলে আমি যিমানেই মন্ত্ৰী হৈ বক্তৃতা নিদিওঁ কিয়, সমাজবাদৰ বাটত আমি কেতিয়াও আগবাঢ়িব নোৱাৰিম। শিক্ষা বিভাগত ভিজিলেঞ্চ কমিশ্যনাৰ আৰু স্পেচিয়েল অফিচাৰৰ কথা চিন্তা কৰা হৈছে। প্ৰসঙ্গত যিটো কথা কোৱা হৈছে সেইটো এটা আন-কাইন্দ ৰিমাৰ্ক। তাৰ পিছত আমাৰ মন্ত্ৰী সকল দুৰ্নীতিত লিপ্ত হোৱা বুলি কোৱা হৈছে আৰু তাৰ কাৰণে কিবা বিশেষ ব্যৱস্থাও কৰিব লাগে বুলিও কোৱা হৈছে। অৱশ্যে প্ৰশাসনটো পৰিচালনা কৰোতে কেতিয়াবা দোষ-ত্ৰুটি হোৱাটো স্বাভাৱিক।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। চৰকাৰে ৫০ বছৰ পিছত অৰ্থাত ৰিটায়াৰমেণ্টৰ পিছত কোনো মানুহকে নিয়োগৰ সুবিধা দিয়া নহব বুলি কৈছে। কিন্তু চৰকাৰে নীতিগত ভাৱে সেইটো নকৰি কিছুমান ৰিটায়াৰ হোৱা মনুহকে নিয়োগ কৰা হৈছে। সেই বিলাক মানুহক চৰকাৰে নীতিগত ভাৱেই কামৰ পৰা বিদায় দিয়াৰ ব্যৱস্থা কৰিবনে ? এই বিষয়ে মুখ্য মন্ত্ৰীয়ে যদিও দৃষ্টিপাত কৰিম বুলি কৈছে তথাপিও আমাৰ আৰু বিশ্বাস নাইকীয়া হৈ গৈছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ তেখেতৰ কথাটো মই মানি লৈছোঁ। কিন্তু মন্ত্ৰী কেইজনমানৰ বিৰুদ্ধে যদিও কিছুমান অভিযোগ থকা বুলি কোৱা হৈছে সেইটো বহুত সময়ত গ্ৰহণ কৰিলেও মস্কিল আৰু বহুত সময়ত গ্ৰহণ নকৰিলেও মস্কিল হয়। দুৰ্নীতি ধৰিবৰ কাৰণে মন্ত্ৰী সকল কিমান পাছে পাছে ঘুৰি ফুৰিব ? কেতিয়াবা এনেকুৱা পৰিস্থিতি হয় যে হঠাত এখন টেলিগ্ৰাম আহি পৰিল। তেতিয়া সেই সংশ্লিষ্ট মন্ত্ৰী গৰাকীয়ে সুধিব লগাত পৰে তেখেতেনো কি কৰিব গতিকে এনেকুৱা এটা অৱস্থাত কি কৰা হব বা নকৰা হব সেইটো এটা মস্কিলৰ কথা হৈ পৰেহি তথাপিও কৰবাৰ পৰা যদি টেলিগ্ৰাম আদি আহে তেতিয়া আমি আছল কথাবোৰৰ বুজ লবৰ কাৰণে বা জনসাধাৰণৰ প্ৰতিনীধি হিচাবে জনসাধাৰণক বিভিন্ন ক্ষেত্ৰত উৎসাহ-উদ্দীপনা আদি যোগাবৰ কাৰণে আমি যাব লগা হৈ পৰে। এনেকুৱা বিলাক কথাত আমি যোৱাটো আমাৰ কৰ্ত্তব্যও। তাৰ পিছত কৰ্টৰ আগত কিছুমান যুৱকে দুৰ্নীতি ধৰিবৰ কাৰণে অভিযান চলাইছে। এটা ভাল ধৰণৰ বাতাবৰণৰ সৃষ্টি হওঁক বুলিয়েই আমি চেষ্টা বা উৎসাহিত কৰাটো উচিত হব। ঠিক এইধৰণে বিভিন্ন ঠাইত তেনেধৰণৰ অভিযান চলাব পাৰে। তাত আমি চৰকাৰৰ ফালৰ পৰা উৎসাহ যোগোৱা উচিত হব। পৰিনাম ভালেই হওঁক বা বেয়াই হওঁক, পিছত দেখা যাব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ ৰাজনৈতিক সংগঠন বিলাক যদি এনেধৰণৰ কামত লগোৱা হয় তেন্তে শাসন যন্ত্ৰৰ যি নীতি সেই নীতিত ব্যাঘাত জন্মোৱা নহবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ আমি ৰাইজৰ কথাবিলাকত হকা-বাধা দিব খোজা নাই। আমাৰ মন্ত্ৰী সকলৰ নিয়োগ সম্পৰ্কত নানা কথা উত্থাপন কৰিছে। আমি সম্পূৰ্ণ গণতান্ত্ৰিক নীতিতহে মন্ত্ৰী সভা গঠন কৰিছোঁ। সেই বুলি মই সৰ্ব্বগুণ সম্পন্ন এখন মন্ত্ৰী সভা গঠন কৰিছো বুলিও দাবী কৰিব খোজা নাইকীয়া। সেইকাৰণেই মই মাননীয় সদস্য সকলক সম্ভৱপৰ সকলো সহায়-সহযোগ আগবঢ়োৱাৰ কাৰণে বিশেষ ভাৱে অনুৰোধ কৰিছোঁ। এই খিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ কৰিলোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, মই এটা কথাৰ স্পষ্টীকৰণ বিচাৰিছোঁ। চৰকাৰী নীতি সম্পৰ্কে মুখ্য মন্ত্ৰীয়ে যি খিনি কলে সেইখিনি মই তেখেতে বৰ আন্তৰিকতাৰেই কৈছে বুলিয়েই ধৰি লৈছোঁ। কালিও আমি কৈছিলো যে আমাৰ ইয়াৰ আগৰ মন্ত্ৰী সভাই কিছুমান বেয়া কাম আৰু কিছুমান ভাল কামো কৰি

কৰিছিল সেইখিনি এতিয়াৰ চৰকাৰে গ্ৰহণ কৰিব নে আৰু যিখিনি বেয়া কাম কৰি গৈছিল সেইখিনি শুধৰণী কৰি লবনে ? আৰু যদি সেইটোৱেই হয় তেতিয়াহলে, যি বিলাক দুৰ্নীতি পৰায়ণ আৰু অপদাৰ্থ চৰকাৰী বিষয়া সেইসকলক চৰকাৰে ঘুৰাই পঠোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাটো নীতিগত কথা বুলি নেভাবে নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ আগৰ মন্ত্ৰী গৰাকীয়ে যিবোৰ কথা কৰি গৈছে সেইটোৰ প্ৰতি বিৰূপ মনোভাৱ পোষণ কৰাটো বৰ ঠিক কথা নহয় । এইটো চোৰা নহয় । মই বাজেট বক্তৃতাতো কৈছোঁ যে, সকলো দলৰে দোষ-ত্ৰুটি থকাটো স্বাভাৱিক । তাৰ বাবে কাৰো গাত দোষ দিব খোজা নাই । অফিচাৰ বদলিৰ কথাটো অধ্যক্ষ মহোদয়, একেবাৰে বৰ ঠিক কথা নহয় । কোনোবা ঠাইৰ পৰা কোনো অফিচাৰ আদি বদলি কৰিলে সেইটো সম্পূৰ্ণ প্ৰশাসনিক ক্ষেত্ৰতহে কৰা হয় ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ ট'ৰিইজমৰ ডেপোটি ডাইৰেক্টৰ জনৰ কথাটো হয় নে নহয় ? কাৰণ আমি জনাত আমাৰ মুখ্যমন্ত্ৰী অন্যায় দূৰীকৰণৰ কাৰণেই আহিছে বুলি আমি জানোঁ । গতিকেই যিহেতু এইটো এটা বিৰাট অন্যায়ৰ কাম হৈছে, গতিকে এই দুৰ্নীতি পৰায়ণ অফিচাৰ জনক পঠাবৰ কাৰণে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ? লগতে এইটো কথাও সত্য নেকি যে, কোনোবা এজন মন্ত্ৰীক তেওঁ নিজে আহি ছালাম নিদিয়াৰ কাৰনেই মন্ত্ৰী জন বিতুষ্ট হৈছিল ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ এইবোৰ কথা ভিত্তিহীন ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মই সুধিব বিচাৰিছো যে মুখ্য মন্ত্ৰীয়ে এইবোৰৰ বিৰুদ্ধে কি কৰিব বিচাৰিছে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ এইবোৰ প্ৰশাসনীয় কথা ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ প্ৰশাসনীয় কথাৰ নিয়মাৱলীৰ হিচাবে কাম কৰা হোৱা নাই ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ নাই হোৱা ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ নিয়মাৱলী যে নাই হোৱা তাৰ স্পষ্টীকৰণ কৰিব লাগে ।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ স্পষ্টীকৰণ কৰা হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মুখ্য মন্ত্ৰীয়ে প্ৰকৃত ভাবে যি জন মানুহৰ প্ৰতি ন্যায় কৰিম বুলি কৈছিল ...

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ যুৱক কংগ্ৰেছে দুৰ্নীতিৰ নিবাৰণৰ প্ৰতি যি অভিযান চলাইছিল তাৰ এটা স্পষ্টী কৰণ দিব লাগে আৰু এইটোৰ প্ৰথম পদক্ষেপ হিচাবে এই সদনত সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহণ কৰা গুৱাহাটীৰ মাটি বিতৰণৰ সম্পৰ্কত কি ব্যৱস্থা কৰিছে সেইটো জনাব লাগে ।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ এই সম্পৰ্কত বিবেচনা কৰি থকা হৈছে আৰু বিবেচনা কৰি ব্যৱস্থা লোৱা হব ।

মাননীয় অধ্যক্ষ ঃ কাট মোচন উঠাই ললে নেকি ? এতিয়া ১১ বাজি ৩০ মিনিট গল ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড ঃ মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই এটা পৰামৰ্শ দিব বিচাৰো যে আমাৰ যি সকল কাৰ্য্যদক্ষ অফিচাৰ আছে, আৰু যি সকলে পাৰদৰ্শিতা দেখুৱাব পাৰিছে সেই সকলক পুৰস্কাৰ আদি দিয়াৰ ব্যবস্থা কৰিলে কেনে হয় ?

শ্ৰীশৰত চন্দ্ৰ সিংস ( মুখ্যমন্ত্ৰী ) ঃ সেইটো চৰকাৰৰ নীতি । সেইটো কৰিব পাৰিলে মই অটাইতকৈ সুখী হম । কিন্তু এইটো কৰিবলৈ গলে চুপাৰচেনৰ কথা আহিব পাৰে । সেইটো চাব লাগিব ।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মই মুখ্য মন্ত্ৰীক অনুৰোধ কৰো যেন তেখেতে ব্যক্তিগত ভাবে তেখেতৰ মন্ত্ৰী পৰিষদৰ সদস্য সকলৰ আৰু আমাৰ যি সকল বিষয় ববীয়া আছে সেই সকলৰ মানসিক পৰিবৰ্ত্তন সাধন কৰিব লাগে তেখেত সকলে শাসকৰ মনোবৃৰ্ত্তি এৰি জনসাধাৰণৰ সেৱাৰ মনোভাৱ লব পাৰে ।

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ নিশ্চয় ।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি খন এডমিনিচট্ৰেটিভ ৰিফৰ্ম কমিটি চৰকাৰে গঠন কৰি দিছে সেই খনৰ মতে কাম হৈছে নে ? যদি হৈছে ইয়াৰ ফলাফল কি ? লগতে আৰু এখন এডমিনিচট্ৰেটিভ ৰিফৰ্ম কমিটি গঠন কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ আমাৰ যি খন এডমিনিচট্ৰেটিভ ৰিফৰ্ম কমিটি আছে সেই খনে দিয়া ৰিপৰ্ট চপা হব ধৰিছে । চপা হৈ ওলালেই ব্যৱস্থা লোৱা হব ।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী ঃ তেখেতৰ প্ৰশ্নটো সেইটো নহয় । তেখেতে কৈছে যে আৰু এখন নতুনকৈ এডমিনিচট্ৰেটিভ ৰিফৰ্ম কমিটি কৰিব পৰা যায় নেকি ?

আগৰ খনৰ ৰিপৰ্ট চাইহে বিবেচনা কৰিব

পৰা হব পাৰে ।

শ্ৰীগ্যাচুদ্দিন আহম্মেদ ঃ অধ্যক্ষ মহোদয়, যুবক কংগ্ৰেছে দুৰ্নীতিৰ বিৰুদ্ধে যি বিলাক অভিযান চলাইছে বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছে । কিন্তু যুৱক কংগ্ৰেছে এই দৰে দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলাইয়ে কিবা কৰিব পাৰিব মোৰ বিশ্বাস নহয় । কাৰণ যুৱক কংগ্ৰেছে দুৰ্নীতি সম্বন্ধীয় কিবা অভিযোগ দিলেও সেই বিলাক আহি চৰকাৰৰ শাসন যন্ত্ৰৰ মাজত সোমাই পৰি কিবা হৈ পৰিব । গতিকে এই বিলাক বিচাৰ কৰিবৰ কাৰণে এখন জন আদালত কৰিব লাগে । যাতে এই অভিযোগ বোৰৰ দুই এক মাহৰ ভিতৰতে বিচাৰ কৰিব পাৰে এই সম্পৰ্কত চৰকাৰৰ দৃষ্টি ভঙ্গী কি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) ঃ এইটোৰ প্ৰয়োজন নাই ।

Mr. Speaker : The cut motions of Dulal Khound are withdrawn. I put the question that the total provision of Rs. 9,99,500 under Grant No. 9 Major head, "18—Parliament, State and Union Territory Legislature -C- Elections," at pages 40-45 of the Budget, be reduced to Rs. 1, i.e., the amount of the whole grant of Rs. 9,99,500, do stand reduced to Re. 1.

The Cut motion is lost.

I put the main motion now, that on the recommendation of the Governor of Assam, a sum of Rs. 7,18,300 be granted to the minister-in-charge to complete the sum of Rs. 9,99,500 necessary to defray the charges which will come in course of payment during the year ending the 31st March 1973 for the administration of the head "18 -Parliament, State and Union Territory Legislatures -C- Elections."

The grant is passed.

There is no Cut motion under grant No. 8. I put the main question that on the recommendation of the Governor of Assam, a sum of Rs. 12,50,400 be granted to the Mi...

in charge to complete the sum of Rs. 17,00,400 necessary to defray the charges which will come in course of payment during the year ending the 31st March 1973 for the administration of the head "18-Parliament, State and Union Territory Legislatures -B. State Legislature",

The grant is passed.

That the total provision of Rs. 16,47,100 under Grant No. 10 Major head-19-General Admn. -I- Head of States and Ministers at pages 46-51 of the Budget, be reduced to Re. 1 i. e. the amount of the whole grant of Rs. 16,47,100 stands reduced to Re. 1.

The Cut motion is lost

I put the question that on the recommendation of the Governor of Assam, a sum of Rs. 11,61,100 be granted to the Minister-in-charge to complete the sum of Rs. 16,47.100 necessary to defray the chrages which will come in course of payment during the year ending 31st March/73 for the administration of the head 19-Gnl. Admn. I head of the state.

The Grant is passed.

I put the Cut Motion. "That the total provision of Rs. 1,02,90,600, under Grant No. 11, Major Head 19-General Administration II- Secretariat and Attached offices" be reduced to Re. 1/- i. e. the amount of the whole grant of Rs. 1,02;90,600, do stand reduced to Re. 1/-.

The Cut Motion is lost.

Now I want to put the main motion "That a sum of Rs. 76,08,600 be granted to the Minister-in-charge to complete the sum of Rs. 1,02,90,600, necessary to defray the charges which will come in course of payment during the

of the head -"19- General Administration-II-Secretariat and Attached Officers".

The motion is passed, the grant is passed.

Grant No. 12

I put the cut motion. "That the total provision of Rs. 88,71,700 under Grant No. 12, Major head "19-General Administration -III- Commissioners and District Administration at pages 60-69 of the Budget, be reduced to Re. 1. i. e. the amount of the whole grant of Rs. 88,71,700, do stand reduced to Re. 1/-"

The cut motion is lost.

I put the main motion. "That a sum of Rs. 65,52,000. be granted to the Minister-in-charge to complete the sum of Rs. 88,71,700 necessary to defray the charges which will come in course of payment during the year ending the 31st March, 1973 for the administration of the head "19-General Administration-III-Commissioners and District Administration."

The motion is passed, the grant is passed.

Grant No. 14

I put the cut motion. "That the total provision of Rs. 14,97,900, under Grant No. 14, under Major head "19-General Administration-V-Local Fund, Audit Establishment and Accounts Offices." at pages 72-73 of the Budget, to be reduced to Re. 1, i. e. the amount of the whole grant of Rs. 14,97,900, do stand reduced to Re. 1.

The cut motion is lost.

I now put the main motion. "That a sum of Rs.11,05,300 be granted to the Minister-in-charge to complete the sum of Rs. 14,97,900 necessary to defray the charges which

t March, 1973, for the Administration of the head "19-neral Administration-V-Local Fund, Audit Establishment 1 Accounts Offices."—the motion to passed, grant is passed.

## CALLING ATTENTION

শ্ৰীসোনেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য চালনা বিধিৰ ৫৪ ধাৰা অনুযায়ী অসম ৰাজ্যখনৰ অতি আৱশ্যকীয় আৰু ৰী বিষয়টো অসমৰ মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা যথাযথ উত্তৰ াবৰ অৰ্থে দৃষ্টি আকৰ্ষণ প্ৰস্তাৱ হিচাবে উত্থাপন কৰিলো। বিষয়টো যোৱা ৬/৪/৭২ তাৰিখে প্ৰকাশিত "সাপ্তাহিক জনমভূমি" কাকতত প্ৰথম পৃষ্ঠাত জন-াধাৰণৰ চকুত পৰাকৈ প্ৰকাশ হৈছে। প্ৰকাশিত বাতৰি এইটো "কৃষি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ হেমাহিৰ পৰিনাম।"

এই বিষয়ে প্ৰকাশিত কেন্দ্ৰৰ পৰা অসম কৃষি বিশ্ববিদ্যালয়ত ইণ্ডিয়ান কাউ-ল অব এগ্ৰিকালচাৰ ৰিচাৰ্চ বিভাগৰ পৰা চতুৰ্থ পৰিকল্পনাৰ সময় চোৰাত খৰছ বলৈ মঞ্জুৰী পোৱা ৫৪ লাখ টকাৰ নাম মাত্ৰ হে ব্যয় হৈছে। এওঁলোকৰ হেমাহীৰ ন টিউবাৰ ক্ৰপ, ফৰেছ, ক্ৰপচ, ওৱাটাৰ মেনেজমেণ্ট এণ্ড চইণ্ড চেলাইনিটি, ভিজিটেবল ইমপ্ৰোভমেণ্ট প্ৰজেক্ট আদি। এইবিলাকত নিয়োগ কৰিবৰ কাৰণে াই বিভাগৰ পৰা ৯খন আচনিৰ জৰিয়তে ১১৯ জন লোকক নিযুক্তি দিব লাগি- - কিন্তু এতিয়ালৈকে ১৬ জনকহে দিয়া হ'ল। এনে হেমাহীৰ কাৰণে অসমৰ সাধাৰণৰ মাজত বিশেষকৈ নিবনুৱা যুৱক আৰু কৃষকৰ মাজত উদ্বেগৰ সৃষ্টি ৰিছে। এই বিষয়ে যথাযথ উত্তৰ পাবৰ কাৰণে (বিভাগীয় মন্ত্ৰীৰ পৰা) দৃষ্টি কৰ্ষক প্ৰস্তাৱ হিচাৱে উত্থাপন কৰিলো।

শ্ৰীউপেন্দ্ৰ দাস (কৃষি মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত, অসম বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য অনুসৰি মই সদনৰ মাননীয় সদস্য ক জনাব খোজো যে যোৱা ২৬ এপ্ৰিলৰ 'জনমভূমিত' প্ৰকাশিত হোৱা বাতৰি- উল্লেখিত ৯খন আচনিৰ ভিতৰত 'চৰকা বেমাৰৰ আচনি' নামৰ আচনিখন ীয় কৃষি গৱেষণা পৰিষদে এতিয়াও অনুমোদন জনোৱা নাই, অৱশ্যে ভাৰতীয় গৱেষণা পৰিষদে কচাইখানাৰ পেলনীয়া বস্তু (Slaughter House by duct) ব্যৱহাৰ কৰা সম্পৰ্কীয় 'সমন্বিত গৱেষণা আচনি' (Co-ordinated ...rch Rejects on Slaughter House by-products) নামেৰে

আন এখন আচনিহে বিশ্ববিদ্যালয়ক অনুমোদন দিছে। বাতৰি কাগজত প্ৰকাশ পোৱা মতে এই ৯ খন আচনিত সৰ্ব্বমুঠ ১১৯ টা চাকৰী মঞ্জুৰ কৰা নাই, মাত্ৰ ৭৯ টা চাকৰীহে মঞ্জুৰ কৰিছে আৰু তাৰ ভিতৰত বিশ্ববিদ্যালয়ে এতিয়ালৈকে ৩৫ টা পদ পূৰণ কৰিছে। 'ছাগলী সম্পৰ্কীয়' আৰু অধিক উৎপাদনক্ষম শস্যৰ' আচনি দুখনৰ কাম অনিবাৰ্য্য কাৰণ বশতঃ এতিয়াও আৰম্ভ কৰিব পৰা হোৱা নাই। এই দুই আচনিৰ বাকী থকা চাকৰীৰ বাবে হবলগীয়া ২৭ টা পদ বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই পূৰণ কৰিব পৰা নাই। গতিকে কাৰ্য্যকৰীকৰা আচনিৰ সমূহৰ বাবে মঞ্জুৰী হোৱা ৫২ টা খালি পদৰ ভিতৰত ১৭ টা পদহে দৰাচলতে পূৰণ কৰা হোৱা নাই। উক্ত খালি পদৰ বাবে আবেদন পত্ৰ দূবাৰ বিচৰা পিছতো উপযুক্ত কাৰিকৰী অৰ্হতা সম্পন্ন প্ৰাৰ্থী নোপোৱা বাবে আৰু আনহাতে শিক্ষা, গবেষণা আৰু সম্প্ৰসাৰণ বিভাগৰ কৰ্ম্মচাৰী সকলক সুপৰিকল্পিত ভাবে একত্ৰিকৰণ কৰা আচনি বিশ্ববিদ্যালয়ে হাতত লোৱাৰ সিদ্ধান্ত কৰা কাৰণেই এই পদকেইটা পূৰণ কৰিব পৰা হোৱা নাই। এই একত্ৰিকৰণ আচনি অনুসৰি বৰ্ত্তমান বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগত কাম কৰি থকা অতিৰিক্ত বুলি বিবেচিত হোৱা কৰ্ম্মচাৰী সকলক উপৰোক্ত খালি থকা পদবোৰত ভৰ্ত্তি কৰি এহাতে কৃষি গবেষণা পৰিষদে মঞ্জুৰ কৰা আচনি কিখনৰ কাম সুচাৰুৰূপে সমাধা কৰা হব আৰু আনহাতে বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় খৰছ কমাই উন্নতিৰ কামত খৰছ কৰা হব।

বাতৰি কাকতত লিখা মতে এতিয়ালৈকে অসম কৃষি বিশ্ববিদ্যালয়ে ভাৰতীয় কৃষি গবেষণা পৰিষদৰ পৰা ৫৪ লাখ টকা পোৱা কথাটো সচাঁ নহয়। চতুৰ্থ পৰিকল্পনাৰ কালছোৱাত ভাৰতীয় কৃষি গবেষণা পৰিষদে এই ৯ খন আচনিৰ কাৰণে অনুমোদন কৰা প্ৰায় ২৮ লাখ টকাৰ ভিতৰত মাত্ৰ ৪,৮৫,৬০০ টকাহে এতিয়ালৈকে আদায় কৰি দিছে। আৰু ইয়াৰ ২,১৬,৯৮১ টকা ব্যৱহাৰ কৰা হৈছে বুলি বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষৰ পৰা জানিব পৰা গৈছে। ওপৰত উল্লেখ কৰা ৯ খন আচনিকে লৈ বিভিন্ন শিতানত এতিয়ালৈকে ভাৰতীয় কৃষি গবেষণা পৰিষদৰ পৰা প্ৰায় ৪৭·২২ লাখ টকাহে পোৱা হৈছে আৰু তাৰে ভিতৰত অসম কৃষি বিশ্ববিদ্যালয়ে প্ৰায় ৩৬·২৯ লাখ টকা খৰছ কৰিছে। গতিকে বাতৰি কাকতত প্ৰকাশিত মতে আই, চি, এ, আৰৰ অনুদানৰ সামান্য টকায়ো খৰছ কৰা কথাটো সম্পূৰ্ণ ভিত্তিহীন।

বিশ্ববিদ্যালয়ৰ কৰ্মীসন্থাৰ সভাপতি গৰাকীক তেতিয়াৰ উপাচাৰ্য্য গৰাকীয়ে বেয়া ব্যৱহাৰ কৰা বুলি যি অভিযোগ ...

জনাব খোজো যে সেই সময়ত থকা অস্থায়ী উপাচার্য্য গৰাকীয়ে এই বিষয়ে ইতিমধ্যে সদৌ অসম আমোলা সন্থাৰ যোৰহাট শাখাৰ সম্পাদকলৈ তেখেতৰ ফালৰ পৰা এখন চিঠি দি ঘটনাটোৰ এটি বিৰৰণ দিয়া বুলি জানিব পৰা গৈছে ।

ভাৰতীয় কৃষি গবেষণা পৰিষদে বিশ্ববিদ্যালয়ৰ উন্নয়নৰ কাৰণে আৰু নিৰ্দিষ্ট গবেষণাৰ আচনিৰ কাৰণে সময়ে সময়ে অনুদান আগবঢ়ায় । এই অনুদানবোৰ ভাৰতীয় কৃষি গবেষণা পৰিষদে পোণপটীয়া ভাবে বিশ্ববিদ্যালয়লৈ পঠায় । গবেষণামূলক আচনিবোৰৰ কাৰণে অনুমোদন কৰা পদবোৰৰ কাৰিকৰী বিজ্ঞানৰ অৰ্হতাও ভাৰতীয় কৃষি গবেষণা পৰিষদে নিৰ্দিষ্ট কৰি দিয়ে । ভাৰতীয় কৃষি গবেষণা মঞ্জুৰ কৰা আচনিৰ উপৰিও ৰাজ্য চৰকাৰে বিশ্ববিদ্যালয় উন্নয়নৰ আৰু ইয়াৰ কৰ্ম্মচাৰী সকলৰ দৰ্ম্মহা আদিৰ কাৰণে বৰঙণি আগবঢ়াই ।

[illegible] চনৰ এপ্ৰিল মাহত প্ৰতিষ্ঠিত অসম কৃষি বিশ্ববিদ্যালয়খনত চালুকীয়া [illegible]ৰে পৰা হোৱা আহুকাল খিনিৰ কথা সদনৰ মাননীয় সদস্যসকলে নিশ্চয় জানে । বিশ্ববিদ্যালয়ত উদ্ভৱহোৱা এনে কিছুমান প্ৰশাসনীয় সমস্যাৰ সমাধান ইতিমধ্যে কৰা হৈছে । আমি আশা ৰাখিছো যে অদূৰ ভবিষ্যতত বিশ্ববিদ্যালয়ৰ বাকী সমস্যাবোৰো সুচাৰুৰূপে সমাধান হ'ব আৰু লগে লগে বিশ্ববিদ্যালয়খনে অতি খৰতকীয়াকৈ আৰু সুপৰিকল্পিত ভাবে উন্নতি সাধন কৰিব । বিশ্ববিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে চৰকাৰ সদায় আগ্ৰহান্বিত আৰু সজাগ, সেইবাবে লাগতীয়াল সকলো প্ৰকাৰ সহায়-সহাবি আগবঢ়াবলৈ ৰাজ্য চৰকাৰ সদায়েই প্ৰস্তুত । কিন্তু এইখিনিতে ইয়াকো উল্লেখ কৰা প্ৰয়োজন যে কৃষি বিশ্ববিদ্যালয়খন এখন স্বশাসিত তানুস্থান আৰু ইয়াৰ স্বশাসিত ৰূপ অক্ষুন্ন ৰখাটো অতি প্ৰয়োজন । বিশ্ববিদ্যালয়খনৰ পৰিচালনাৰ বাবে এখন সুদক্ষ্য পৰিচালনা মণ্ডল আছে । এই মণ্ডলত চৰকাৰক প্ৰতিনিধিত্ব কৰা কেইজনমান অভিজ্ঞ বিষয়াৰ উপৰিও সদনৰ পৰা নিৰ্ব্বাচিত ৩ জন পতিনিধিও আছে । তাৰ উপৰিও এই পৰিচালনা মণ্ডলত থকা এগৰাকী সদস্যা ইতিমধ্যে বিধান সভালৈ নিৰ্ব্বাচিত হোৱাত সদনৰ ৪ গৰাকী মাননীয় সদস্যই বৰ্ত্তমান পৰিচালনা মণ্ডলত প্ৰতিনিধিত্ব কৰিছে । এই উচ্চ পৰ্য্যায়ৰ পৰিচালনা মণ্ডলখনে বিশ্ববিদ্যালয়ৰ লক্ষ্য আৰু সমস্যাবোৰৰ বিষয়ে সম্পূৰ্ণ সজাগ বুলি আমাৰ বিশ্বাস । আমাৰ এই বিষয়েও সন্দেহ নাই যে পৰিচালনা মণ্ডলখনে উল্লেখিত বাতৰিত প্ৰকাশ পোৱা নিচিনা অভিযোগবোৰৰ বিচাৰ বিবেচনা কৰিব আৰু লবলগীয়া উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব ।

Mr. Speaker : The House stands adjourned till 10 A. on Monday, the 19th June 1972.

## Adjournment

The House rose at 11·55 A.M. and stood adjourned 10 A. M. on Monday, the 19th June, 1972.

U Tahbildar
Secretary
Assam Legislative Asseml

Shillong
The 16th June, 1972